For translation of this speech, visit:-http://www.atributetosankaradeva.org/Sarana_trans.pdf

# শৰণ

ভাৰতৰ ধৰ্মক্ষেত্ৰত ক্ৰমবিকাশৰ ইতিহাস ধৰ্ম-সাহিত্যসমূহৰ পৰা এই ক্ষেত্ৰত বেদেই প্ৰাচীনতম বুলি সকলো পণ্ডিতে একমুখে স্বীকাৰ কৰিছে। নানা দেৱ-দেৱীৰ নামৰ উল্লেখ বেদত পোৱা যায়। ইন্দ্ৰ, অগ্নি, সোম, বায়ু, সূৰ্য্য, মিত্ৰ, বৰুণ, বিষ্ণু, ঊষা, যমজ অশ্বিনীকুমাৰদ্বয়, পূষা, ৰূদ্ৰ, প্ৰজাপতি, যম, পৰ্জ্জন্য, অৰ্য্যমা, মৰুৎ, ব্ৰহ্মণস্পতি বা বৃহস্পতি, সৰস্বতী, অদিতি, ইলা, আদিত্যসকল, ঋভু, ত্বষ্টা, সৱিতা, ইন্দ্ৰাণী, বৰুণানী, আগ্নেয়ী, বসুসকল, মাতৰিশ্বা, বৈশ্যানৰ, ভাৰতী আদি দেৱ-দেৱীসকলৰ নাম বেদত পোৱা যায়। এইবিলাকৰ সৰহ সংখ্যকেই প্ৰাকৃতিক শক্তিসমূহৰ লক্ষ্য কৰি কল্পনা কৰা হয়। আনহাতে, বৈদিক দেৱ-দেৱীৰ সংখ্যা তেত্ৰিশ বুলি স্পষ্টকৈ ঘোষণা কৰা ভালেমান মন্ত্ৰ পোৱা যায়।

হিন্দু ধৰ্মৰ ক্ৰমবিকাশ পথত এই সকলো দেৱ-দেৱীৰ মাজত ঐক্য স্থাপন কৰিবলৈ কৰা প্ৰয়াসৰো সন্ধাৰ ঋগ্বেদতেই পোৱা যায়। "একং সদ্বিপ্ৰা বহুধা ৱদন্তি"—পৰমেশ্বৰ এক, জ্ঞানী সকলে অনেক নাম আৰোপ কৰে। একেশ্বৰবাদৰ সম্পৰ্কে পণ্ডিতসকল এক মতৰ নহয়। কোনো কোনো পণ্ডিতে দেৱ-দেৱীসকলৰ বেলেগ বেলেগ নাম এজন সৃষ্টিকৰ্তাতে প্ৰয়োগ হৈছে বুলি ব্যাখ্যা কৰে, কোনো কোনো পণ্ডিতে মানসিক জগতৰ বেলেগ বেলেগ অনুভূতিসমূহত এই নামবিলাক আৰোপ কৰিছে বুলি প্ৰমাণ দিয়ে।

বৈদিক মন্ত্ৰবিলাকৰ ৰচনা আৰু সঙ্কলন একে সময়তে হোৱা নাছিল। জাৰ্মান পণ্ডিত মেক্সমূলাৰে বেদ ৰচনা হোৱা সময়ছোৱাক ছন্দকাল আৰু সঙ্কলন হোৱা সময়ক মন্ত্ৰকাল বুলি অভিহিত কৰিছে। ছন্দকালত মন্ত্ৰবিলাক ৰচিত হৈছিল আৰু সেইকালত প্ৰাৰ্থনাই একমাত্ৰ অৰ্পিত সামগ্ৰী আছিল। মন্ত্ৰকালত মন্ত্ৰবিলাক ভাগ ভাগ কৰি লিপিবদ্ধ কৰা হয়। মন্ত্ৰবিলাক ৰচিত হোৱাৰ সময় সম্পৰ্কে পণ্ডিতসকল একমত নহ'লেও খৃঃপূঃ ১৫০০ বছৰৰ আগতে যে বৈদিক মন্ত্ৰবিলাক ৰচিত হৈছিল এই বিষয়ত সকলো একমত।

দেৱ-দেৱীসমূহৰ তাৎপৰ্য যিয়েই নহওক দেৱ-দেৱী আৰু মানুহবিলাকৰ মাজত দেনা-পাওনাৰ সম্পৰ্কহে দেখিবলৈ পোৱা যায়। দেৱ-দেৱীসকলে মানুহক দিব লাগিব ধন-সম্পত্তি, সন্তান-সন্ততি আৰু দীৰ্ঘজীৱন, তাৰ বিনিময়ত দেৱ-দেৱীসকলক মানুহে দিব লাগিব সোমৰসৰ আহুতি আৰু নানা ছন্দত কৰিব লাগিব প্ৰাৰ্থনা বা স্তুতি। স্তুতি, যাগ-যজ্ঞ ইত্যাদিবিলাকৰ মূল উদ্দেশ্য হ'ল, দেৱ-দেৱীসকল যাতে সন্তুষ্ট হৈ মানুহক আকাঙ্ক্ষিত সামগ্ৰীৰ যোগান দিয়ে। শত্ৰুৰ বিনাশ সাধন আৰু অতি বেছি পাপক্ষয় কৰিবৰ কাৰণে প্ৰাৰ্থনা জনোৱা হৈছিল।

এই স্তুতিবিলাক কামনাযুক্ত হ'লেও তাত ভক্তিবাদৰ বীজ পোৱা যায়। আনহাতে বৰুণৰ প্ৰতি ৰচনা কৰা স্তুতিবিলাক ভক্তিৰ প্ৰাধান্য দেখা যায়। এইবিলাকত স্তুতিত পাপ স্বীকাৰ, পাপ-স্খলন আৰু অনুতাপ পোৱা যায়। প্ৰফেচৰ মেক্‌ডোনেল্ডৰ মতে একেশ্বৰবাদৰ আভাস বৰুণৰ প্ৰতি কৰা স্তুতি-সমূহতে পোৱা যায়। ঋগ্‌বেদত ডকা-ডমকা অৱস্থাত থকা এই একেশ্বৰবাদেই উপনিষদৰ যুগত এক ব্ৰহ্মৰূপে পৰিপূৰ্ণতা লাভ কৰে।

বৈষ্ণৱ ধৰ্মৰ ভেটিও ঋগ্বেদতেই পোৱা যায় যেতিয়া বিষ্ণুক বৃহৎ শৰীৰ অৰ্থাৎ, জগতখনকেই যাৰ শৰীৰ বুলি বৰ্ণনা কৰিছে বা "প্ৰত্যেতি-আহৱম্" অৰ্থাৎ ভক্তৰ আহ্বানত আগমনকাৰী বুলি প্ৰাৰ্থনা কৰিছে।

ভাৰতৰ বেলেগ বেলেগ সম্প্ৰদায়বিলাকৰ মাজত পূজিত নানা দেৱতাক যুঁজ কৰি বধ কৰা বা দমন কৰা ইন্দ্ৰৰ প্ৰধান কৰ্তব্য আছিল। কালী, বৃত্ৰ এইবিলাক জনজাতিসকলৰ পূজিত দেৱতা আছিল। ঋগ্‌বেদৰ যুগত

কৃষ্ণ ইন্দ্ৰৰ এজন প্ৰধান শত্ৰু আছিল। দহহেজাৰ সৈন্য লগত লৈ অংশুমতী নামে নৈৰ তীৰত বাস কৰা প্ৰধান লোক আছিল কৃষ্ণ।

উপনিষদৰ যুগত এক ব্ৰহ্মত বিশ্বাস, তেওঁৰ প্ৰতি প্ৰেম, তেওঁৰ সেৱাৰ প্ৰতি আকৰ্ষণ, মোক্ষ লাভ ঋগ্বেদৰ বৰুণৰ স্তুতিবিলাকত পোৱা যায়। নানা দেৱ-দেৱী যুক্ত বৈদিক পূজাৰ ঢল উপনিষদৰ যুগত ক্ষীণ হয়। সেই কাৰণে ড° ৰাধাকৃষ্ণণে উল্লেখ কৰিছে— The decay of the old Vedic worship is traceable to this low conception of many gods অৰ্থাৎ, পুৰণা বৈদিক পূজা-পদ্ধতিৰ লুপ্ত হোৱাৰ কাৰণ বিচাৰিলে নানা দেৱতাযুক্ত হীন ধাৰণাতে পোৱা যায়।

উপনিষদত সিদ্ধান্ত কৰা একব্ৰহ্মাই মাত্ৰ জ্ঞাতব্য বিষয়।

"যতো ৱা ইমানি ভূতানি জায়ন্তে।
যেন জাতানি জীৱন্তি।
যৎ প্ৰযন্ত্যাভসং বিশন্তি।
তদ্বিজজ্ঞাসস্ব তদ্ব্ৰহ্মেতি।

—তৈত্তিৰীয় ১/৩/১

অৰ্থাৎ, যাৰ পৰা প্ৰাণীসমূহৰ জন্ম হয়, জাত প্ৰাণীসমূহ যাৰ সহায়ত জীৱন ধাৰণ কৰি থাকে, প্ৰলয় কালত যিজনত প্ৰতিগমন আৰু প্ৰৱেশ কৰে তেওঁক বিশেষৰূপে জানিবলৈ চেষ্টা কৰা; তেৱেঁই ব্ৰহ্ম।

এই ব্ৰহ্ম নিৰুপাধিক সত্তামাত্ৰ, তেওঁ নিৰ্গুণ। "ব্ৰহ্ম একমেৱমদ্বিতীয়ম্।" এবাৰ তেওঁক উপলব্ধি কৰা সৃষ্টিকৰ্তা ঈশ্বৰ ৰূপে, পিছতেই তেওঁক বোধ কৰা যায় সৃষ্ট হিৰণ্যগৰ্ভৰূপে।

বৈদিক ধৰ্মত শাশ্বত জীৱনৰ কথা কোৱা হৈছে। আনহাতে, উপনিষদৰ দাৰ্শনিকসকলে বাস্তৱত দেখিবলৈ পালে যে, জীৱন অশাশ্বত, ক্ষণভঙ্গুৰ। জগতৰ সকলো দৃষ্ট পদাৰ্থ সসীম আৰু বিনাশশীল। ইন্দ্ৰিয় লব্ধ জ্ঞানো সসীম আৰু ধ্বংসযুক্ত। বাহ্য জগতৰ ইন্দ্ৰিয়গ্ৰাহ্য সকলোৱেই ক্ষণিক আৰু বিনাশশীল। ইন্দ্ৰিয়াতীত জগতত এক অপৰিৱৰ্তনীয় সত্তাৰ উপলব্ধি কৰিলে যি সত্তা অনন্ত জীৱন অনন্ত আনন্দ আৰু শাশ্বত সত্যৰ আধাৰ। এই অপৰিৱৰ্তনীয় সত্তাৰ উপলব্ধি হোৱা মাত্ৰকতে আনন্দত আত্মহাৰা হৈ ঋষিয়ে প্ৰাৰ্থনা জনালে— "অসতো মা সদ্গময়, তমসো মা জ্যোতিৰ্গময়, মৃত্যোৰ্মামৃতং গময়েতি। স যদাহাসতো মা সদ্গময়েতি, মৃত্যুৰ্ৱা অসৎ, সদমৃতম্, মৃত্যোৰ্মামৃতং গময়, অমৃতং মা কুৰ্ৱিত্যেৱৈতদাহ; তমসো মা জ্যোতিৰ্গময়েতি, মৃত্যুৰ্ৱৈ তমঃ জ্যোতিৰমৃতম্, মৃত্যোৰ্মামৃতং গময়, অমৃতং মা কুৰ্ৱিত্যেবৈতদাহ; মৃত্যোৰ্মামৃতং গময়েতি নাত্ৰ তিৰোহিতমিবাস্তি।"—বৃহদাৰণ্যক ১/৩/২৮

অৰ্থাৎ—অসতৰ পৰা মোক সতলৈ নিয়া, অন্ধকাৰৰ পৰা মোক আলোকলৈ নিয়া, মৃত্যুৰ পৰা মোক অমৃতলৈ নিয়া। অসতৰ পৰা সতলৈ নিয়া। মন্ত্ৰত অসৎ মানে মৃত্যু আৰু সৎ মানে অমৃত। অন্ধকাৰৰ পৰা মোক আলোকলৈ নিয়া মন্ত্ৰত অন্ধকাৰৰ অৰ্থ মৃত্যু, আলোকৰ অৰ্থ অমৃত। যি মন্ত্ৰক মোক মৃত্যুৰ পৰা অমৃতলৈ নিয়া বুলিছে তাত গুপ্ত অৰ্থ একো নাই।

শাশ্বত জীৱনৰ কাৰণে এই উগ্ৰবাসনাই উপনিষদৰ ঋষিসকলক বহিৰ্মুখীৰ পৰা অন্তৰ্মুখী কৰিলে। যুগ যুগ ধৰি নিৰাশ্ৰয় অসহায়, জীৱন-যুদ্ধত পদে পদে পৰাজিত হোৱা মনুষ্যই আশ্ৰয়, সহায় আৰু অনন্ত জীৱন বিচাৰিছে। আশ্ৰয় বা শৰণৰ সন্ধান উপনিষদৰ এই মহামন্ত্ৰটিত পোৱা যায়।

বৈষ্ণৱধৰ্মৰ শাস্ত্ৰ শিৰোমণি গীতাৰ শৰণৰ শ্লোকটিলৈ লক্ষ্য কৰিলেও উপনিষদৰ উপৰোক্ত মন্ত্ৰটিৰ ভাৱ সাদৃশ্য দেখা যায়।

কাৰ্পণ্যদোষোপহতস্বভাৱঃ পৃচ্ছামি ত্বাং ধৰ্ম্মসম্মূঢ়চেতাঃ।
যচ্ছ্রেয়ঃ স্যান্নিশ্চিতং ব্ৰুহি তন্মে শিষ্যস্তে'হং শাধি মাং ত্বাং প্ৰপন্নম্।। —গীতা ২/৭

অৰ্থাৎ, কাৰ্পণ্য দোষত হতস্বভাৱ, ধৰ্ম বিষয়ত মোহিতচিত্ত হৈ মই আপোনাক সুধিছো''—যি সাধন মোৰ কাৰণে কল্যাণকাৰক সেই সাধনৰ কথা মোক খাটাংকৈ কওক, কিয়নো মই আপোনাৰ শিষ্য, সেই কাৰণে আপোনাৰ শৰণাগতক শিক্ষা দিয়ক।

নিজক সম্পূৰ্ণ নিৰাশ্ৰয়, নিৰ্বল, নিৰ্বুদ্ধি, নিঃসত্ত্ব, মানি সৰ্বশক্তিমান, সৰ্বান্তৰ্য্যামী, অনন্তশক্তি সম্পন্ন, সৰ্ৱাধিপতি ভগৱন্তত কায়মনোবাক্যে আশ্ৰয় গ্ৰহণ কৰাই শৰণ। ভগৱন্তৰ স্পষ্ট নিৰ্দেশ আছে যে সেই শৰণ হ'ব লাগিব একশৰণ—''মামেকংশৰণং ব্ৰজ।''—(গীতা ১৮/৬৬)

এই এক শৰণ নিৰ্গুণ ব্ৰহ্মতো ল'ব পাৰি, সগুণ পৰমেশ্বৰতো ল'ব পাৰি। এই সম্পৰ্কে গীতাত পোৱা যায় ঃ

ক্লেশো'ধিকতৰস্তেষামৱ্যক্তাসক্তচেতসাম্।
অৱ্যক্তা হি গতিৰ্দুঃখং দেহৱদ্ভিৰৱাপ্যতে।।
—গীতা ১২/৫

অৰ্থাৎ, অব্যক্তত বা নিৰ্গুণ ব্ৰহ্মত আসক্তচিত্তসকলৰ কষ্ট অধিক হয়, কিয়নো দেহ...ভমানীসকলে দুঃখেৰেহে অব্যক্তত গতি পাব পাৰে।

এই নিৰ্গুণ ব্ৰহ্মৰ উপাসনা অধিক ক্লেশদায়ক কাৰণে সগুণ ভগৱানৰ অৱতাৰণা। শ্ৰীমদ্ভাগৱতেই এই সগুণ ভগৱানৰ বৰ্ণনাৰ শ্ৰেষ্ঠতম নিদৰ্শন। গতিকে, এই শৰণ ধৰ্মৰ ক্ষীণ আভাস বেদ-উপনিষদত উল্লেখ থাকিলেও ইয়াৰ দৃঢ়তা আৰোপ কৰিছে, গীতাত আৰু সগুণ পৰমেশ্বৰৰ পূৰ্ণবিকাশ পাইছে ভাগৱতত।

এই শৰণৰ সম্পৰ্কে ভাগৱতৰ পৰা অসংখ্য উদ্ধৃতি কৰিব পাৰি। স্মৃতি শাস্ত্ৰত উল্লেখ থকা পঞ্চ ঋণৰ পৰা শৰণীয়া লোকসকল মুক্ত।

দেৱৰ্ষিভূতাপ্তনৃণাং পিতৃণাং ন কিঙ্কৰো নায়মৃণী চ ৰাজন্।
সৰ্ব্বাত্মনা যঃ শৰণং শৰণ্যং গতো মুকুন্দং পৰিহৃত্য কৰ্ত্তম্।।
—ভাগৱত ১১/৫/৪১—ভাঙনি—শ্ৰীশঙ্কৰদেৱৰ

পিতৃ ভূত পতি দেৱ ঋষি সুহৃদৰ।
উপজিলে আসম্বাৰ ঋণী হোৱে নৰ।।
হোমে দেৱ ঋণ সুজে তৰ্পণে ঋষিৰ।
বলিদানে ভূত শ্ৰাদ্ধ আদিয়ে পিতৃৰ।।
সমভাৱে সুহৃদসৱৰ সুজে ঋণ।
এহিমতে ঋণী সদা ভকতি বিহীন।।
কায়বাক্যমনে কৰি নিশ্চয় যিজন।
মুকুন্দৰ চৰণত পশিল শৰণ।।
তাৰ ঋণ সুজা সৱে গৈল সমস্তৰে।

নকৰিয়ো ঋণী আৰ নুহি সিটো নৰে।।

ভগৱন্তত ভক্তিহীন সকলৰ কাৰণে হোম, বলি, শ্ৰাদ্ধ আদিৰ বিধান আছে; কিন্তু ঈশ্বৰ শৰণীয়াসকলৰ কাৰণে এইবিলাক নিৰৰ্থক। বৰঞ্চ, ভগৱন্তক আৰাধনা নকৰি অন্যান্য দেৱতাসকলৰ আশ্ৰয় গ্ৰহণকাৰীসকলক দেৱতাসকলেই অতি মন্দ বুলিছে; যেনে—

অৱিস্মিতং তং পৰিপূৰ্ণকামং
স্বেনৈৱ লাভেন সমং প্ৰশান্তম্।
বিনোপসৰ্পত্যপৰং হি ৱালিশঃ
শ্বলাঙ্গুলেনাতিতিতৰ্ত্তি সিন্ধুম্।।

—ভাগৱত ৬/৯/২২; ভাঙনি—শ্ৰীমাধৱদেৱৰ

বৃত্ৰত হাৰিয়া যুদ্ধ যত দেৱগণ। কৰন্ত কৃষ্ণক স্তুতি পশিয়া শৰণ।।
ৰাগ আদি শূন্য তুমি পৰম নিৰ্ম্মল। নাহি অহঙ্কাৰ বিষয়ৰ কৌতুহল।।
নিজানন্দ লাভে পৰিপূৰ্ণ অতিশয়। গুণৰ উপাধি পৰিচ্ছেদ নকৰয়।।
হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ। মায়াৰ অধীন আমি দেৱতা অপৰ।।
তোমাক এৰিয়া লৱে আমাত শৰণ। তাত পৰে নাহিকে পৰম অজ্ঞজন।।
যেন কোনোজনে কুকুৰৰ লাঞ্জে ধৰি। যাইবাক ইচ্ছয় তাত সমুদ্ৰক তৰি।।
তাৰ কদাচিত নোহে সমুদ্ৰতৰণ। সেহিমতে লৈয়া অনীশ্বৰত শৰণ।।

শৰণৰ সম্পৰ্কে পৰমভক্ত অক্ৰুৰে উল্লেখ কৰিছে যে,

কঃ পণ্ডিতঃ ত্বদপৰং শৰণং সমীয়া ত্তক্ত প্ৰিয়াদ্ ঋতগিৰঃ সুহৃদঃ কৃতজ্ঞাৎ।
সৰ্ৱান দদাতি সুহৃদো ভজতো'ভিকামা-নাত্মানমপ্যুপচয়াপচয়ো ন যস্য।।

ভাঙনি—শ্ৰীমাধৱদেৱৰ

... ... ... ...
কৃষ্ণক এৰিয়া কৰে আশ্ৰয় আনক।।
নাহি মূঢ়মতি আৰ তাহাৰ সমান।
অক্ৰূৰ বচনে লৈয়ো ইহাৰ প্ৰমাণ।।
বোলন্ত কৃষ্ণক এৰি তোমাৰ চৰণ।
কোননো পণ্ডিতে লৈবে আনত শৰণ।।
ভকতৰ সুহৃদ পৰম প্ৰিয়তম।
নাহিকে কৃতজ্ঞ সত্যবাদী তুমি সম।।
দিয়া ভকতক অভিমত কামচয়।
আপোনাকো দিয়া তুমি কিনো কৃপাময়।।
তথাপিতো হানি লাভ নাহিকে তোমাৰ।
অক্ৰূৰৰ বাক্যচয় কৰিলো সংহাৰ।।

ঈশ্বৰ কৃষ্ণৰ বিনে আন কোনো যে শৰণ্যদেৱ হ'ব নোৱাৰে ভাগৱতত ভূৰি ভূৰি দৃষ্টান্ত পোৱা যায়।

যেনে ঃ—

তাপত্রয়েণা'ভিহতস্য ঘোৰে সংতপ্যমানস্য ভৱাধ্বনীশ।
পশ্যামি নাহন্যচ্ছৰণং তৱাঙিঘ্রদ্বন্দ্বাতপত্রাদমৃতাভিৱর্ষাৎ।।
—ভাগ. ১/১৯/৯; ভাঙনি—শ্রীমাধৱদেৱৰ

কেৱলে শৰণ্যদেৱ ঈশ্বৰ মাধৱ। শুনিয়ো কৃষ্ণক যেন বুলিলা উদ্ধৱ।।
হে কৃষ্ণ ইটো ঘোৰ সংসাৰ পন্থত। তিনি তাপে অতিশয় হুয়া আছে হত।।
তযু পাদ পদ্ম ছায়া ছত্র বিনে তাৰ। নাহিকে শৰণ আৰ তাপ এৰাইবাৰ।।
তোমাৰ চৰণ যুগ ছত্র বিপৰীত। ছায়া কৰি সৰ্ব্বদিশে বৰিষে অমৃত।।
হোৱয় কৃতাৰ্থ লৈলে তাহান্তে শৰণ। এহিমানে সংহৰিলো উদ্ধৱ বচন।।

সেইকাৰণে গীতাৰ শেষ উপদেশ হৈছে—

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্রজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

গীতাত মাধৱে কহিলন্ত অৰ্জ্জুনত।

ত্যজিয়োক সখি ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্রত।।
কেৱলে শৰণ মোত লৈয়ো ধনঞ্জয়।
ৰাখিবো সৱাতে মই নকৰিবা ভয়।।

সেইকাৰণে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ প্রদৰ্শিত যি একশৰণ ধৰ্ম সেই ধৰ্মবৃক্ষৰ শিপা অতি গভীৰ আৰু হিন্দু ধৰ্মৰ সৰ্বশাস্ত্ৰানুমোদিত। কিন্তু শাস্ত্ৰবিলাকত এই ধৰ্মৰ ভাৱ সিঁচৰিত হৈ আছিল, মহাপুৰুষে যেনিবা সেই ৰত্নৰাজি একত্রিত কৰি স্ত্রী-শূদ্র-নিৰ্বিশেষে সকলোৰে কাৰণে সহজলভ্য কৰি মাতৃভাষাত দান দি গৈছে। গাৰো ভোট যৱনাদি সকলো লোককে একেডাল প্ৰীতিৰ ডোলেৰে বান্ধি হৰি নামৰ ঢল বোৱাই একশৰণ ধৰ্মবৃক্ষৰ ছায়াত জিৰণি ল'বৰ কাৰণে সকলো নৰ-নাৰীকে সুবিধাদান দি গৈছে।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেনো কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।